# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-07-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

-------------------

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰিছে। শ্ৰী ধনখড়ে কালি স্বাস্থ্যজনিত কাৰণত উপ-ৰাষ্ট্ৰপতি পদৰ পৰা অব্যাহতি বিচাৰি ৰাষ্ট্ৰপতিগৰাকীলৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰে। ইপিনে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উপ-ৰাষ্ট্ৰপতি পদৰ পৰা অব্যাহতি গ্ৰহণ কৰা জগদীপ ধনখড়ৰ সুস্বাস্থ্য কামনা কৰিছে। বিদায়ী উপ-ৰাষ্ট্ৰপতিগৰাকীৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰি সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে দেশৰ উপ-ৰাষ্ট্ৰপতিকে ধৰি ভিন ভিন পদবীত কাৰ্যনিৰ্বাহ কৰা শ্ৰী ধনখড়ে দেশৰ প্ৰতি সেৱা আগবঢ়োৱাৰ ভালেমান সুযোগ লাভ কৰিছে।

ooooo

অসমীয়া ভাষাৰ ধ্ৰুপদী মৰ্যাদাক অধিক গৰিমামণ্ডিত কৰি তোলাৰ লক্ষ্যৰে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সৌজন্যত উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰা হৈছে। সেই অনুসৰি কলাক্ষেত্ৰৰ উদ্যোগত ৰাষ্ট্ৰপতি ভৱনৰ পুথিভঁৰালত সংৰক্ষণ তথা প্ৰদৰ্শনৰ বাবে পাঁচখন প্ৰাচীন সাঁচিপতীয়া পুথি প্ৰদান কৰা হয়। এই পদক্ষেপৰ জৰিয়তে অসমীয়া ভাষাৰ ঐতিহ্য যাত্ৰাই এটা নতুন গতি লাভ কৰে বুলি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰে আশা প্ৰকাশ কৰিছে। কলাক্ষেত্ৰৰ সচিবগৰাকীয়ে নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত এটা গাম্ভীৰ্যপূৰ্ণ সাঁচিপতীয়া পুথিকেইখন অৰ্পন কৰে। ৰাষ্ট্ৰপতি ভৱন সচিবালয়ৰ সচিব দিপ্তী উমাশংকৰে পুথিকেইখন গ্ৰহণ কৰিছে। অনুষ্ঠানত নতুন দিল্লীত থকা অসম ভৱনৰ আৱাসিক আয়ুক্তকে প্ৰমুখ্য কৰি কেন্দ্ৰীয় চৰকাৰৰ ভালেকেইগৰাকী বিষয়া উপস্থিত থাকে।

ooooo

সমাগত বি টি চি পৰিষদীয় নিৰ্বাচনৰ বাবে চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ কৰা হৈছে। ৰাজ্যিক নিৰ্বাচন আয়োগৰ নিৰ্দেশমৰ্মে আজি চিৰাঙৰ পাঁচটা পৰিষদীয় সমষ্টিৰ খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হয়। কাজলগাঁৱত থকা জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলা নিৰ্বাচনী বিষয়া যতীন বৰাই খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰে।

তামুলপুৰ জিলাৰ অন্তৰ্গত পাঁচটা পৰিষদীয় সমষ্টিৰ ভোটাৰ তালিকাও আজি প্ৰকাশ কৰা হৈছে। তামুলপুৰ জিলা প্ৰশাসনে প্ৰকাশ কৰা অনুসৰি পাঁচটা পৰিষদীয় সমষ্টিত মুঠ ভোটাৰৰ সংখ্যা হৈছে তিনি লাখ ৫০ হাজাৰ ৭০৬ জন। খচৰা ভোটাৰ তালিকাৰ আপত্তি আৰু সংশোধনৰ অন্তিম সময়সীমা ৫ আগষ্ট ধাৰ্য কৰা হৈছে।

কোকৰাঝাৰ জিলাতো আজি খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হয়।

ooooo

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আজি দিছপুৰত পথ সমন্বয় প'ৰ্টেল মুকলি কৰে। পথ নিৰ্মাণৰ লগত জড়িত বিভাগসমূহৰ মাজত সমন্বয় স্থাপন কৰাৰ লক্ষ্যৰে প্ৰস্তুত কৰি উলিওৱা প'ৰ্টেলটোৱে উন্নয়নমূলক কাম-কাজৰ ক্ষেত্ৰত বিভাগসমূহক সহায় কৰিব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে কয়, যে পৰ্টেলটোৰ জৰিয়তে ৰাইজেও কাম-কাজ নিৰীক্ষণ কৰি থাকিব পাৰিব। আজিৰ অনুষ্ঠানত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া, গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ অধ্যক্ষ নাৰয়ণ ডেকাৰ লগতে সংশ্লিষ্ট বিভাগসমূহৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০০

মুখ্যমন্ত্ৰী সাহায্য পুঁজি আঁচনিৰ অধীনত শোণিতপুৰ জিলাৰ বৰছলা সমষ্টিত ৭৪০ গৰাকী ৰোগীৰ পৰিয়ালক ১০ হাজাৰ টকাকৈ আৰ্থিক অনুদানৰ চেক বিতৰণ কৰা হয়। বৰছলা সমষ্টিৰ বিধায়ক গণেশ কুমাৰ লিম্বুৱে ৰোগীৰ পৰিয়ালক চিকিৎসাৰ বাবদ চেকসমূহ বিতৰণ কৰে।

০০০০০

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই দিছপুৰত আজি বানমুক্ত গুৱাহাটী অভিযানৰ অন্তৰ্গত সংশ্লিষ্ট বিভাগসমূহৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে বৈঠকত মহানগৰীৰ বিভিন্ন বান প্ৰৱণ এলেকাত কৃত্ৰিম বান ৰোধ কৰা সন্দৰ্ভত আলোচনা কৰে। প্ৰৱল বৰষুণৰ ফলত সৃষ্টি হ'ব পৰা কৃত্ৰিম বানৰ পৰা সকলোকে সাজু হৈ থাকিবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়। আজিৰ এই বৈঠকত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া, গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ অধ্যক্ষ নাৰায়ণ ডেকাৰ লগতে লোকনিৰ্মাণ, জলসম্পদ, ৰে'ল, অইলৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি বৰপেটা জিলাৰ হাউলীস্থিত জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ নতুন ভৱনৰ লাইখুঁটা স্থাপন কৰে। এই উপলক্ষে প্ৰতিষ্ঠানখনৰ চৌহদত আয়োজিত এটা অনুষ্ঠানত মন্ত্ৰী শ্ৰীদাসে কয়, যে অসম চৰকাৰে ৰাজ্যখনৰ সৰ্বদিশৰ আন্তঃগাঁথনি শক্তিশালী কৰাত চৰকাৰ গঠনৰ পৰাই গুৰুত্ব দি আহিছে। এই আন্তঃগাঁথনি নিৰ্মাণৰ অংশ হিচাপে হাউলীত থকা জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানখনক নতুন ৰূপ দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। প্ৰতিষ্ঠানখনৰ পুৰণি ভৱন নতুনকৈ নিৰ্মাণ কৰাৰ বাবে ৪ কোটি ৬ লাখ টকা আবণ্টন দিয়া হৈছে বুলি মন্ত্ৰী দাসে ভাষণত উল্লেখ কৰে।

০০০০০

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু কামৰূপ জিলা প্ৰশাসনৰ সহযোগত বকোত ১৫ দিনীয়া গ্ৰীষ্মকালীন নাট কৰ্মশালা অনুষ্ঠিত হৈছে। অহা ৩০ জুলাইলৈ চলিবলগীয়া এই কৰ্মশালাত এন এছ ডিৰ পৰা প্ৰশিক্ষণপ্ৰাপ্ত নাট্যকৰ্মী ভাস্কৰ গোস্বামীয়ে প্ৰশিক্ষণ প্ৰদান কৰিছে। কৰ্মশালাত ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ প্ৰায় ৫০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে।

০০০০০

সমাপ্ত